41 N (ASK)

No. of Printed Pages—3

[22-HKPD1SN-23A]

M.A 1st Semester (New) Exam. 2022 (W)

ASSAMESE

(অসমীয়া কবিতা)

[PGAS S1-02]

Full Marks : 70/80

Time : 3 hours

The figures in the right-hand margin indicate marks.

(২০২০ চনৰ পিছত নামভর্ত্তি কৰা শিক্ষার্থী সকলে কেৱল Q.No. 1 ৰ পৰা Q.No. 4 লৈ হে উত্তৰ কৰিব)

1. তলৰ যিকোনো *পাঁচটা* প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(*a*) গোৱালপৰীয়া লোকগীতৰ সুৰক কোন চাৰিটা শ্রেণীত ভাগ কৰা হৈছে ?

(*b*) বৰগীতৰ ভাষাৰ বিশেষত্ব সম্বন্ধে চমুকৈ উল্লেখ কৰক ।

(*c*) অসমীয়া ৰমন্যাসিক কবিতা অসমীয়া লোকসংস্কৃতিৰ দ্বাৰা কিদৰে প্রাণৱন্ত হৈ উঠিছে চমুকৈ লিখক ।

(*d*) যতীন্দ্রনাথ দুৱৰাৰ কথাকবিতাৰ যিকোনো দুটা প্রধান বৈশিষ্ট্য উল্লেখ কৰক ।

(*e*) কবি অমূল্য বৰুৱাক ক্ষণজন্মা কবি বুলি কোৱাৰ কাৰণ কি ?

(*f*) প্রেমমূলক ৰহস্যবাদ কি ?

(Turn Over)

2. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১২০ শব্দৰ ভিতৰত) ঃ $3 \times 4 = 12$

(*a*) অসমীয়া নীতিসাহিত্যত চৰ্য্যাপদৰ স্থান ব্যাখ্যা কৰক ।

(*b*) মাধৱ কন্দলীৰ ৰামায়ণে অসমীয়া লিখিত সাহিত্যৰ পৰম্পৰা সৃষ্টিত কেনেধৰণৰ ভূমিকা পালন কৰিছিল ?

(*c*) 'সময়ৰ বলুকাৰাশিত পদচিহ্ন ৰখা
উন্মাদ বাসনা আমাৰ নাই ।'
– হেম বৰুৱাৰ এই কবিতাফাকিত 'উন্মাদ বাসনা'ই কাক বুজাইছে ব্যাখ্যা কৰক ।

(*d*) দেৱকান্ত বৰুৱাক যুগসন্ধিৰকবি বোলাৰ তাৎপর্য্য ব্যাখ্যা কৰক ।

(*e*) নৱকান্ত বৰুৱাৰ 'বোধিদ্ৰুমৰ খৰি'ৰ বিষয়বস্তু সম্পর্কে এটি টোকা যুগুত কৰক ।

3. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) ঃ $6 \times 4 = 24$

(*a*) হেমচন্দ্ৰ গোস্বামীৰ 'প্ৰিয়তমাৰ চিঠি' কবিতাত প্ৰকৃতি আৰু আত্মউপলব্ধিক একাকাৰ কৰি ৰমন্যাসিকতাক কিদৰে সমৃদ্ধ কৰা হৈছে আলোচনা কৰক ।

(*b*) কথা কবিতা বুলিলে কি বুজে ? যতীন্দ্ৰনাথ দুৱৰাৰ কথা কবিতাৰ এটি মূল্যায়ণ আগবঢ়াওক ।

(*c*) দেহবিচাৰৰ গীতৰ প্ৰতীকধর্মিতা সম্বন্ধে এক পর্য্যালোচনা আগবঢ়াওক ।

(*d*) সাধাৰণ জনতাৰ বিদ্রোহ আৰু মুক্তিভাৱনা নীলমণি ফুকনৰ 'গৌৰীনাথ আহিব' কবিতাটিৰ জৰিয়তে কিদৰে মূর্ত হৈ উঠিছে আলোচনা কৰক ।

(*e*) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বীণ–বৰাগী' কবিতাৰ ভাৱবস্তু সন্দর্ভত এক পর্য্যালোচনা যুগুত কৰক ।

4. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) ঃ $8 \times 3 = 24$

(*a*) মাধৱ কন্দলীৰ অনুবাদ-ৰীতি সম্পৰ্কে এটি আলোচনা আগবঢ়াওক ।

(*b*) নলিনীবালা দেৱীৰ 'নাটঘৰ' কবিতাত প্ৰতিফলিত হোৱা ৰহস্যবাদী চেতনাৰ এক পৰ্য্যালোচনা দাঙি ধৰক ।

(*c*) সমাজৰ পঙ্কিল দিশৰ বাস্তৱ ৰূপায়ন অমূল্য বৰুৱাৰ 'বেশ্যা' কবিতাটিত কিদৰে সম্ভৱ হৈ উঠিছে আলোচনা কৰক ।

(*d*) সমাজ-ৰূপান্তৰৰ আকাংক্ষা অত্যন্ত সহজ-সৰল অথচ অৰ্থবহ তথা প্ৰতীকময় ভাব-ভাষাৰে কিদৰে হীৰেন ভট্টাচাৰ্যৰ 'লখিমী' কবিতাৰ মাজেৰে প্ৰকাশিত হৈ ওলাইছে, আলোচনা কৰক ।

(5 নং প্ৰশ্নটো কেৱল ২০২০ চনৰ আগতে নামভৰ্ত্তি কৰা শিক্ষাৰ্থীৰ বাবেহে)

5. তলৰ যিকোনো *এটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰায় ৩৫০ শব্দৰ ভিতৰত) ঃ

(*a*) পাঠত সন্নিৱিষ্ট কবিতাসমূহৰ আধাৰত অসমীয়া ৰমণ্যাসিক কবিতাৰ ভাৱবস্তু সম্বন্ধে এটি পৰ্য্যালোচনা যুগুত কৰক ।

(*b*) অসমীয়া কবিতাত আধুনিকতাবাদী ভাৱনাৰ প্ৰকাশ সম্বন্ধে আলোকপাত কৰি এটি আলোচনা আগবঢ়াওক ।